# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-11-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভুৱা প্ৰতিশ্ৰুতি প্ৰদানৰ বিষয় লৈ কংগ্ৰেছক তীব্ৰ সমালোচনা কৰিছে।

২। ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ যুটীয়া সামৰিক অনুশীলন বজ্ৰ প্ৰহাৰৰ পঞ্চদশ সংস্কৰণ আজি  আৰম্ভ হ'ব।

৩। ঝাৰখণ্ড বিধানসভাৰ আসন্ন নিৰ্বাচনত মুঠ এহেজাৰ ২১১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে।

৪। ভাৰতৰ মালৱিকা ৰাঙ্গোড় আৰু আয়ুষ ছেট্টীয়ে হাইলো অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

*আৰু*

৫। ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাই টেষ্টৰ আজি দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ৮৬ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ভুৱা প্ৰতিশ্ৰুতি প্ৰদানৰ বিষয় লৈ কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে এই বুলি অভিযোগ তোলে যে, দেশৰ জনসাধাৰণে কংগ্ৰেছৰ হকে ভোটদান কৰা মানে অপশাসন, বেয়া অৰ্থব্যৱস্থা আৰু লুণ্ঠনৰ হকে ভোটদান বুলি অনুভৱ কৰিবলৈ লৈছে। তেওঁ কয় যে, জনসাধাৰণে কংগ্ৰেছৰ পুৰণি ভুৱা প্ৰতিশ্ৰুতি নহয় বৰং উন্নয়ন আৰু প্ৰগতিহে বিচাৰে। জনসাধাৰণে কংগ্ৰেছৰ পৃষ্ঠপোষকতা প্ৰাপ্ত ভুৱা প্ৰতিশ্ৰুতিৰ সংস্কৃতিৰ বিৰুদ্ধে সতৰ্ক হৈ থকা উচিত বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে, হাৰিয়ানাৰ জনসাধাৰণে এনে ধৰণৰ ভুৱা প্ৰতিশ্ৰুতি প্ৰত্যাখ্যান কৰিছে আৰু এখন স্থিৰ প্ৰগতিশীল আৰু কৰ্মমুখী চৰকাৰ বাছনি কৰিছে।

০০০০০

ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিশেষ বাহিনীসমূহৰ যুটীয়া সামৰিক অনুশীলন বজ্ৰ প্ৰহাৰৰ পঞ্চদশ সংস্কৰণ আজি আমেৰিকাৰ আইডাহোৰ আৰ্চৰ্ড কমবেট ট্ৰেইনিং চেণ্টাৰত আৰম্ভ হ'ব। ২২ নৱেম্বৰত এই অনুশীলনৰ সামৰণি পৰিব। যোৱা বছৰ মেঘালয়ৰ উমৰৈত এই অনুশীলনৰ পূৰ্বৰ সংস্কৰণ অনুষ্ঠিত হৈছিল। এয়া ভাৰত আৰু আমেৰিকাৰ সৈন্য বাহিনীৰ মাজত চলিত বৰ্ষৰ দ্বিতীয় অনুশীলন হ'ব। ছেপ্তেম্বৰত ৰাজস্থানত যুদ্ধ অভ্যাস ২০২৪ নামৰ যুদ্ধ অনুশীলন আয়োজন কৰা হৈছিল। প্ৰতিৰক্ষা মন্ত্ৰালয়ে কৈছে যে, যুটীয়া অনুশীলনত

অংশগ্ৰহণ কৰা দুয়োখন দেশৰ দলত ৪৫ জনকৈ জোৱান থাকিব। ভাৰতীয় সৈন্যৰ দলটোৰ  বিশেষ বাহিনীৰ গোটে প্ৰতিনিধিত্ব কৰাৰ বিপৰীতে আমেৰিকাৰ সৈন্য দলটোৰ নেতৃত্ব দিব আমেৰিকাৰ গ্ৰীণ বেৰেটেছ বাহিনীয়ে। ভাৰত আৰু আমেৰিকাৰ মাজত সামৰিক সহযোগিতা বৃদ্ধি কৰাই বজ্ৰপ্ৰহাৰ অনুশীলনৰ মূল লক্ষ্য। এই অনুশীলনে মৰুভূমি আৰু অৰ্ধ মৰুভূমি বাতাবৰণত সৈন্য সঞ্চালনৰ ক্ষেত্ৰত উভয় দেশৰ সামৰ্থ বৃদ্ধি কৰিব। এই অনুশীলনত উচ্চ মানৰ শাৰীৰিক সুস্থতা, যুটীয়া পৰিকল্পনা আৰু যুটীয়া সামৰিক কৌশলত ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব।

ooooo

বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আজি ঝাৰখণ্ডৰ ৰাঁচীলৈ যাব। তেওঁ দলৰ নেতাসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা চলাব। বিজেপিৰ নেতাগৰাকীয়ে কাইলৈ চতৰাৰ ছিমৰীয়া, ঘাটছিলাৰ ধালভূমগড় আৰু হাজাৰিবাগ জিলাৰ বৰকথাত তিনিখন নিৰ্বাচনী সভাক সম্বোধন কৰিব। ইপিনে, ৰাজ্যখনত প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। ৰাজ্যখনত শাসনাধিষ্ঠিত আই এন ডি আই মিত্ৰজোঁট আৰু বিৰোধী এন ডি এ মিত্ৰজোঁটৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে চেষ্টা চলোৱা পৰিলক্ষিত হৈছে। বিজেপিৰ নিৰ্বাচন সহ প্ৰভাৰী তথা অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কৈছে যে, বিজেপি ক্ষমতালৈ আহিলে ৰাজ্যখনত ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী এন আৰ চি ৰূপায়ণ কৰা হ'ব। ইয়াৰ বিপৰীতে কংগ্ৰেছৰ সাধাৰণ সম্পাদক কে চি বেণুগোপালে বিজেপিক সংবিধান বিৰোধী বুলি অভিযোগ উত্থাপন কৰিছে। শ্ৰীবেণুগোপালে কৈছে যে, দলটোৱে ব্যাপক পৰ্যায়ত এই বিষয়টো উত্থাপন কৰিব।

ooooo

কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে কালি সন্ধিয়া নতুন দিল্লী ৰে'লৱে ষ্টেচনত উপস্থিত হৈ উৎসৱৰ সময়ছোৱাত যাত্ৰীসকলৰ সুবিধা আৰু ভ্ৰমণ ব্যৱস্থাৰ পৰ্যালোচনা কৰে। প্লেটফৰ্মত ৰে'লৰ বাবে অপেক্ষা কৰি থকা একাংশ যাত্ৰীৰ সৈতেও তেওঁ মত বিনিময় কৰে। যাত্ৰীসকলৰ একাংশই জনোৱা মতে, উপযুক্ত ভিৰ ব্যৱস্থাপনাৰ বাবে তেওঁলোকে ৰে'ল আস্থানত সময়মতে উপস্থিত হোৱাত কোনো অসুবিধাৰ সন্মুখীন হোৱা নাই। ৰে'লৱে সুৰক্ষা বাহিনী আৰু ৰে'লৱেৰ বিষয়াসকলে উপযুক্তভাৱে ভিৰ পৰিচালনা কৰা বাবে মন্ত্ৰী শ্ৰীবৈষ্ণৱে সন্তোষ প্ৰকাশ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত তেওঁ ৰে'লৱেৰ বিষয়াসকলে যাত্ৰীসকলৰ ভ্ৰমণ মসৃন কৰি তুলিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বাবে বিষয়াসকলক প্ৰশংসা কৰে। শ্ৰীবৈষ্ণৱে সহযোগিতাৰ বাবে যাত্ৰীসকলকো ধন্যবাদ জ্ঞাপন কৰে। কেন্দ্ৰীয় ৰে'লমন্ত্ৰীগৰাকীৰ মতে, যোৱা বছৰ দীপাৱলী আৰু ছট্ পূজা উপলক্ষে ভাৰতীয় ৰে'লৱেই ৪হাজাৰ ৫০০ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰিছিল। তেওঁ কোৱা মতে, এই বেলি যাত্ৰীসকলৰ সুবিধাৰ অৰ্থে ৭ হাজাৰ ৪৩৫ খন বিশেষ ৰে'লৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয় যে, যোৱামাহৰ ৩১ তাৰিখলৈ এই বিশেষ  ৰে'লযোগে ৫১ লাখ লোকে নিজ গন্তব্য স্থানলৈ যাত্ৰা কৰিছে।

ooooo

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই যুৱক-যুৱতীসকলক ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ পুৰস্কাৰৰ বাবে আবেদন কৰিবলৈ আহ্বান জনাইছে। ১৫ৰ পৰা ২৯ বছৰ বয়সৰ ব্যক্তি আৰু সংগঠনক স্বাস্থ্য, মানৱ অধিকাৰৰ প্ৰসাৰ, সক্ৰিয় নাগৰিকত্ব আৰু সমূহীয়া সেৱাৰ দৰে উন্নয়ন তথা সমাজ সেৱাৰ বিভিন্ন ক্ষেত্ৰৰ উৎকৃষ্ট কাম আৰু অৱদানৰ বাবে এই পুৰস্কাৰ প্ৰদান কৰা হয়। এই পুৰস্কাৰৰ ৰূপত এটা পদক, এখন প্ৰমাণ পত্ৰ, ব্যক্তিসকলক ১ লাখ টকা আৰু সংগঠনসমূহক নগদ ৩ লাখ টকা প্ৰদান কৰা হয়। ড° মন্দাভিয়াই এটা ভি ডি অ' বাৰ্তাযোগে কৈছে

যে, এই পুৰস্কাৰ কেৱল অলংকৰণে নহয়, বৰং এখন প্ৰগতিশীল আৰু সৰ্বাত্মক ভাৰতক সুদৃঢ় কৰি তোলাত যুৱ নেতৃত্বৰ প্ৰতি সন্মানস্বৰূপ। ২০২২-২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় যুৱ পুৰস্কাৰৰ বাবে গৃহ পৰিক্ৰমা মন্ত্ৰালয়ৰ উমৈহতীয়া পুৰস্কাৰ প'ৰ্টেলৰ যোগেদি আবেদন  বিচৰা হৈছে। ১৫ নৱেম্বৰ আৱেদন পঠোৱাৰ অন্তিম দিন ধাৰ্য কৰা হৈছে।

০০০০০

ঝাৰখণ্ড বিধানসভাৰ আসন্ন নিৰ্বাচনত মুঠ এহেজাৰ ২১১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে। ৰাজ্যখনৰ দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহ্বাৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হয়। ৰাজ্যখনৰ ৮১ জনীয়া বিধানসভাৰ বাবে এইবেলি দুটা পৰ্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ১৩ নৱেম্বৰত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনত ৪৩টা সমষ্টি সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায় বাবে ৬৮৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। একেদৰে ২০ নৱেম্বৰত হ'বলগীয়া দ্বিতীয় পৰ্যায়ত ৩৮টা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। এই সমষ্টিকেইটাৰ বাবে কালি মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ পাছত ৫২৮ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হয়। ২৩ নৱেম্বৰত ভোটগণনা কৰা হ'ব।

০০০০০

বটছৱানাৰ নতুন ৰাষ্ট্ৰপতি হিচাপে ডুমু গিডিয়ান বকোৱে কাৰ্যভাৰ গ্ৰহণ কৰিছে। নিৰ্বাচনৰ জৰিয়তে জয় লাভ কৰি ডুমু বকোৱে আফ্ৰিকান দেশখনত প্ৰায় ৬০ বছৰ শাসন কৰা বটছৱানা ডেমক্ৰেটিক পাৰ্টি চমুকৈ বি ডি পিৰ শাসনৰ অৱসান ঘটায়।

৫৪ বছৰীয়া ড্যুমু বকোৱে নিৰ্বাচনত বি ডি পিক পৰাস্ত কৰাৰ ৩ দিন পিছতেই মুখ্য ন্যায়াধীশ তেৰেঞ্চ ৰানোৱানেৰ কাৰ্যালয়ত বন্ধ অধিৱেশনৰ সময়ছোৱাত শপতগ্ৰহণ কৰে।

নিৰ্বাচনত জয় লাভ কৰি ৰাষ্ট্ৰপতি বকোৱে দিয়া প্ৰথমটো ৰাজহুৱা ভাষণত জনসাধাৰণে তেওঁৰ প্ৰতি আস্থা জনোৱাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। দেশখন আগবঢ়াই নিয়াৰ ক্ষেত্ৰত নাগৰিকসকলক অধ্যাৱসায়েৰে কাম কৰি যাবলৈও তেওঁ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

দেশখনত বুধবাৰে হোৱা সাধাৰণ নিৰ্বাচনত বি ডি পিৰ বিদায়ী ৰাষ্ট্ৰপতি ৬৩ বছৰীয়া ম'কগোৱেছ্চি মাছিছিয়ে পৰাজয় বৰণ কৰে।  কিয়নো বিৰোধী দলসমূহে সন্মিলিতভাৱে ৬১ জনীয়া সংসদীয় আসনৰ কমেও ৩৫ খন আসন দখল কৰে। উল্লেখযোগ্য যে ১৯৬৬ চনত ব্ৰিটেইনৰ পৰা স্বাধীনতা লাভ কৰাৰ পাছৰে পৰা বটছৱানাত বি ডি পি দলে শাসনভাৰ চলাই আছিল।

০০০০০

বিশ্বজুৰি গুজৰাটী সম্প্ৰদায়ে আজি গুজৰাটী নতুন বৰ্ষ উদযাপন কৰিছে। গুজৰাটত হিন্দু পঞ্জিকা বিক্ৰম চম্ভাট অনুসৰি কাৰ্তিক মাহৰ প্ৰথম দিনাৰে পৰা নৱবৰ্ষ পালন কৰা হয়। বেষ্টু বই নামে জনপ্ৰিয় এই গুজৰাটী নৱবৰ্ষ সমগ্ৰ ৰাজ্যতে পৰম্পৰাগতভাৱে উৎসাহ উদ্দীপনাৰে পালন কৰা হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলিত মাহৰ ৮ তাৰিখে বিধানসভা নিৰ্বাচনৰ পূৰ্বে মহাৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শাসকীয় মহাজোঁটৰ বাবে তেওঁ ধুলেত প্ৰচাৰ চলাব। প্ৰধানমন্ত্ৰী মোদীয়ে ৰাজ্যখনৰ অন্যান্য স্থানতো নিৰ্বাচনী প্ৰচাৰ চলাব।

০০০০০

ভাৰতৰ মালৱিকা বানছড় আৰু আয়ুষ ছেট্টীয়ে জাৰ্মানীৰ  ছাৰব্ৰুকেইনত অনুষ্ঠিত হাইলো অপেন বেডমিণ্টনৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ইয়াৰ পূৰ্বে, মহিলাৰ একক শাখাত ষষ্ঠ বাছনিৰ মালৱিকা বানছ'ড়ে ভিয়েটনামৰ চতুৰ্থ বাছনিৰ গুৱেইন থুই লিনহেক পৰাস্ত কৰে। ছেমি ফাইনেলত আজি আজি তেওঁ ডেনমাৰ্কৰ জুলি ডাবল জেকবসেনৰ মুখামুখি হ'ব।

ইফালে, পুৰুষৰ একক শাখাত ১৯ বছৰীয়া আয়ুষ ছেট্টীয়ে ফিনলেণ্ডৰ কল্লে কোলজোনেনক পৰাস্ত কৰে। তেওঁ আজি ফাইনেলত ফ্ৰান্সৰ ক্ৰিষ্টো প'পভৰ সৈতে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

00000

ভাৰতে নিউজিলেণ্ডৰ বিৰুদ্ধে মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত ৩ খনীয়া টেষ্ট ক্ৰিকেট শৃংখলাৰ তৃতীয় তথা অন্তিম খন খেলৰ আজি দ্বিতীয় দিনা ৪ উইকেটৰ বিনিময়ত প্ৰথম দিনা সংগ্ৰহ কৰা ৮৬ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। প্ৰথম দিনৰ খেলৰ সামৰণি পৰত কালি শুভমন গিলে ৩১ আৰু ঋষভ পন্তে ১ ৰাণ কৰি খেলি আছিল।

ইয়াৰ পূৰ্বে নিউজিলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ২৩৫ ৰাণত প্ৰথম ইনিংছ সামৰে। নিউজিলেণ্ডৰ হৈ ডেৰিল মিচেলে ৮২ আৰু উইল ইয়ঙে ৭১ ৰাণ কৰে। ভাৰতৰ হৈ স্পীনাৰ ৰবীন্দ্ৰ জাদেজাই পাঁচটা আৰু ৱাশ্বিংটন সুন্দৰে চাৰিটা উইকেট দখল কৰে। জাদেজাই কালিৰ প্ৰদৰ্শনৰ সুবাদত জাহিৰ খান আৰু ঈশান্ত শৰ্মাক চেৰ পেলাই টেষ্ট ক্ৰিকেটৰ ইতিহাসত দেশৰ হৈ পঞ্চম সৰ্বাধিক উইকেট দখল কৰা বলাৰ হিচাপে পৰিগণিত হয়।

00000

**সমাপ্ত**